**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। চলিত বৰ্ষৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ আজি ৰাজ্যত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

২। ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ।

৩। সমগ্ৰ বিশ্বতে আজি সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন।

**আৰু**

৪। উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিকাশ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে উত্তৰ-পূৰ্ব ভাৰতীয় পৰ্যটন সংঘৰ ৰাষ্ট্ৰীয় পৰ্যটন সন্মিলনৰ আয়োজন।

০০০০০

এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ আজি অসমৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। এই অনুসৰি ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুযায়ী যোৱা ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ সমগ্ৰ ৰাজ্যতে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী সম্পন্ন কৰা হয় আৰু ২২ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীৰ ভিতৰত ভোটাৰ তালিকা সম্পৰ্কীয় দাবী আৰু আপত্তিসমূহ গ্ৰহণ কৰা হয়।

ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুযায়ী আজি প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো দাবী আৰু আপত্তি অহা ১৫ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা দণ্ডাধীশৰ ওচৰত দাখিল কৰিব পৰা যাব। এই প্ৰক্ৰিয়াত সন্তুষ্ট নহ'লে যিকোনো আবেদন ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পৰা যাব। আজি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে বৰাক উপত্যকাৰ জিলাকেইখনত ভোটদাতাৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস পাইছে। গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত দিছপুৰ সমষ্টিত ভোটদাতাৰ

সংখ্যা ২ দশমিক ৭ শতাংশ, ডিমৰীয়া সমষ্টিত ১ দশমিক ৯ শতাংশ, নিউ গুৱাহাটী সমষ্টিত ২ দশমিক ৩-৯ শতাংশ, মধ্য গুৱাহাটী সমষ্টিত ৩ দশমিক ৩ শতাংশ আৰু জালুকবাৰী সমষ্টিত ভোটদাতাৰ সংখ্যা ২ দশমিক ০-৯ শতাংশ হ্ৰাস পাইছে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ ৪৩গৰাকী জনছাত্ৰ আৰু দুই লাখ ৪৮ হেজাৰ ৩২২গৰাকী ছাত্ৰী সামৰিমুঠ 8 লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে।পুৱা ৯ বজাৰ পৰা প্ৰথম দিনৰ পৰীক্ষা অনুষ্ঠিত হৈছে । হাইস্কুল শিক্ষান্ত পৰীক্ষা , ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। আজি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব। এইবাৰ প্ৰশ্নকাকতৰ ক্ষেত্ৰত পৰিষদে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত বৰ্ষবোৰৰ দৰে কেইবাটাও ভাষাত পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হব পাৰিব যদিও একেখন প্ৰশ্নকাকতৰ বিপৰীতে এইবাৰ অসমীয়া, ইংৰাজী, বড়ো আৰু হিন্দী মাধ্যমৰ প্ৰশ্নকাকত পৃথককৈ ছপা কৰা হৈছে। আজি বিভিন্ন কেন্দ্ৰত নিযাৰিকৈ পৰীক্ষা অনুষ্ঠিত হয় যদিও দৰং জিলাৰ চিপাঝাৰৰ গৰুখুটিৰ এটা কেন্দ্ৰত প্ৰশ্নকাকত পলমকৈ আহি পোৱাৰ বাবে পৰীক্ষা এঘণ্টা পলমকৈ অনুষ্ঠিত কৰিবলগীয়া হয়। এই বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে।

বাইট

ইপিনে কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা , বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষা অনুষ্ঠিত হব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭44 গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ 'ব।ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ পৰীক্ষাৰ্থী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ 'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱৰ্তীণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮ টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ কমাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

**মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে।**

০০০০০

সমগ্ৰ বিশ্বজুৰি আজি সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন কৰা হয়। কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত তথ্য সমৃদ্ধ, সুৰক্ষিত আৰু দায়বদ্ধ হৈ থকাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি এই দিৱস পালন কৰা হয়। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হ'ল - Smart tech. safe choices-Exploring the safe and responsible use of AI।

অসমতো আন বিভিন্ন জিলাৰ লগতে কামৰূপ জিলা তথ্য বিজ্ঞান কেন্দ্ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি এই দিৱস উদযাপন কৰা হয়। সুৰক্ষিত ইণ্টাৰনেট দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই। সভাখনত ভাষণ দি তেওঁ কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰা সকলো নাগৰিককে সংবেদনশীলতাৰে কাম কৰিবলৈ আহ্বান জনায়।

জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্তই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিভাগৰ বহুসংখ্যক বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ উপযুক্ত প্ৰয়োগৰ জৰিয়তে কেনেদৰে সুৰক্ষিত হৈ থাকিব পাৰি সেই বিষয়েও সভাত এখন তথ্যচিত্ৰৰ জৰিয়তে বৰ্ণনা কৰা হয়।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিকাশ আৰু অঞ্চলটোৰ পৰ্যটনৰ সম্ভাৱনা দেশে-বিদেশে প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে উত্তৰ-পূব ভাৰতীয় পৰ্যটন সংঘই ১৩ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈ ৰাষ্ট্ৰীয় পৰ্যটন সন্মিলন আয়োজন কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠ ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য, নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্য আৰু দুঃসাহসিক পৰ্যটনৰ সম্ভাৱনা বিশ্বৰ সন্মুখত দাঙি ধৰিবলৈ এই কাৰ্যসূচী লোৱা হৈছে। সন্মিলনৰ অংশ হিচাপে আয়োজিত অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন খণ্ডৰ অংশীদাৰ, চৰকাৰী প্ৰতিনিধি আৰু ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধিসকলে অংশ ল'ব। ছদিনীয়া কাৰ্যসূচীত মত বিনিময় অনুষ্ঠান, নেটৱৰ্কিং সন্মিলন, পৰ্যটনস্থলী প্ৰদৰ্শনী আৰু উত্তৰ-পূবৰ বৈচিত্ৰময় তথা অতুলনীয় পৰ্যটন অভিজ্ঞতা ল'ব পৰাকৈ ক্ষেত্ৰভিত্তিক ভ্ৰমণৰ ব্যৱস্থা থাকিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

গোধা ৰোগ নিৰ্মূলৰ লক্ষ্যৰে আজি শোণিতপুৰ জিলাত সমূহীয়া ঔষধ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ ৰঙাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত নহৰাণী চাহ বাগিচাৰ চিকিৎসালয়ত এই উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত ৰাজ্যিক স্বাস্থ্য সেৱাৰ মেলেৰীয়া বিভাগৰ সঞ্চালক ডা০ ৰুণুবালা দাসে এই বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰে। উদ্বোধনী ভাষণত ডা০ দাসে গোধা ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত ঔষধ সেৱনৰ গুৰুত্ব ব্যাখ্যা কৰি কয়, যে সমাজৰ পৰা এই ব্যাধি নিৰ্মূল কৰিবলৈ হ'লে প্ৰতিজন ৰোগীয়ে এই ঔষধ সেৱন কৰাটো জৰুৰী। ইয়াৰ লগতে ৰোগ সংক্ৰমণৰ শৃংখল ভাঙিবলৈ জনসচেতনতা আৰু বিভিন্ন চৰকাৰী বিভাগৰ মাজত

সমন্বয় অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত জিলা মেলেৰীয়া বিষয়াকে ধৰি চিকিৎসা বিভাগৰ ভালেকেইজন জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

ooooo

চৰাইদেউ জিলাৰ সোণাৰীৰ বেণুবন বৌদ্ধ বিহাৰত আজি বিপাশনা সাংস্কৃতিক কেন্দ্ৰত এটা নতুন ভৱন নিৰ্মাণৰ শুভাৰম্ভ কৰা হয়। সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে ভৱনটোৰ আধাৰশিলা স্থাপন কৰে। বৌদ্ধ বিহাৰটোৰ আন্তঃগাথনি উন্নয়নৰ বাবে বিধায়ক গৰাকীয়ে সমষ্টি উন্নয়ন পুজিৰ পৰা ৫ লাখ টকা অনুদান হিচাপে আগবঢ়াইছে। এই ধনেৰে ভৱনটোৰ চৌহদত নিৰ্মাণ কৰিবলগীয়া অত্যাধুনিক কেন্দ্ৰটোৱে অঞ্চলটোৰ আধ্যাত্মিক আৰু সাংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ উল্লেখ কৰে।

বাইট

ooooo

ঃঃ সমাপ্ত